Total number of printed pages–4

**1 (Sem–2/FYUGP) ASS 21 MJ**

**2026**

**ASSAMESE**

( Major )

Paper : ASS4200104MJ

[ অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস
( ১৮২৬ চনৰ পৰা ১৯৪৭ চনলৈ ) ]

*Full Marks : 60*

Time : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। চমুকৈ উত্তৰ দিয়া ঃ ১×৮=৮

(ক) 'অৰুণোদয়' কাকতৰ প্ৰথম সম্পাদকজনৰ নাম কি ?

(খ) 'বুৰঞ্জীবিৱেক-ৰত্নৰ' ৰচক কোন?

(গ) 'অৰুণোদয়' কাকতত নঃ লঃ ফঃ নামেৰে কোনে সাহিত্য সৃষ্টি কৰিছিল?

(ঘ) 'জোনাকী' কাকতখন কোন চনত প্ৰকাশ পাইছিল?

(ঙ) অসমীয়া সাহিত্যত কোনজন সাহিত্যিকক 'স্কট' নামেৰে জনা যায়?

(চ) চৈয়দ আব্দুল মালিকৰ 'কাঠফুলা' গল্পৰ নায়কজনৰ নাম কি?

(ছ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰকৃতি' কবিতাটো কোনখন কাব্য পুথিৰ অন্তৰ্গত?

(জ) লক্ষ্মীনাথ বেজবৰুৱাৰ গল্প পুথি এখনৰ নাম লিখা।

২। চমু উত্তৰ লিখা ঃ *(যিকোনো ছয়টি)* ২×৬=১২

(ক) ভৱেন্দ্ৰনাথ শইকীয়াৰ *দুখন* গল্প পুথিৰ নাম লিখা।

(খ) যতীন্দ্ৰনাথ দুৱৰাৰ 'পোহৰ' কোন শ্ৰেণীৰ কবিতা? তেঁও কাৰ আদৰ্শত এই শ্ৰেণীৰ কবিতা ৰচনা কৰিছিল?

(গ) 'মিৰি-জীয়ৰী' উপন্যাসখন অসমৰ কোনটো জনজাতিৰ সামাজিক পটভূমিত ৰচিত? এইখন কি শ্ৰেণীৰ উপন্যাস?



(ঘ) 'কবিৰ অহৈতুকী প্ৰীতি' শীৰ্ষক প্ৰবন্ধটি বাণীকান্ত কাকতিৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে? প্ৰবন্ধটোত উল্লেখ থকা ভাৰতীয় প্ৰেমৰ কবি 'চণ্ডীদাসৰ' প্ৰেমিকাৰ নাম কি?

(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ *দুখন* নাটকৰ নাম কি?

(চ) অৰুণোদয় কাকতত 'সোনাৰ চাঁদ' ছদ্ম নামেৰে কোনে প্ৰবন্ধ লিখিছিল? তেওঁ সম্পাদনা কৰা অসমীয়া বাতৰি কাকতখনৰ নাম কি?

(ছ) 'জাতীয় গৌৰৱ' কবিতাটোত 'ৰাক্ষসিনী' বুলি কাক বুজোৱা হৈছে? 'ৰাক্ষসিনী'য়ে কি গিলা বুলি কবিয়ে উল্লেখ কৰিছে?

(জ) ৰঘুনাথ চৌধুৰীৰ *দুখন* কাব্য গ্ৰন্থৰ নাম লিখা।

(ঝ) 'গহ্বৰ' গল্পত থকা *দুটা* নাৰী চৰিত্ৰৰ নাম লিখা।

(ঞ) 'হেমকোষৰ' সংকলকগৰাকীৰ নাম কি? এইখন কোন চনত প্ৰকাশ পাইছিল?

৩। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) 'অৰুণোদয়' কাকতৰ অৱদান

(খ) 'অন্তিম জ্যোতি' কবিতাৰ মূলভাৱ

(গ) মাইল্‌ছ ব্ৰন্সনৰ গদ্যৰীতি

(ঘ) ভৱেন্দ্ৰনাথ শইকীয়াৰ 'গহ্বৰ' গল্পৰ 'মিঃ পিয়েনাৰ'ৰ চৰিত্ৰ চিত্ৰণ

(ঙ) 'কথা-কবিতা'ৰ বৈশিষ্ট্য

(চ) চৈয়দ আব্দুল মালিকৰ গল্পৰ বৈশিষ্ট্য

(ছ) ৰোমান্টিক কবিতাৰ বৈশিষ্ট্য

৪। তলৰ *যিকোনো দুটাৰ* উত্তৰ লিখা ঃ ১০×২=২০

(ক) অৰুণোদয় যুগৰ খৃষ্টিয়ান লেখকসকলৰ সাহিত্যকৃতি সম্বন্ধে *এটি* নিবন্ধ যুগত কৰা।

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাহিত্যকৃতিসমূহ উল্লেখ কৰি 'নিমাতী কইনা' নাটকখনৰ কাহিনীটো নিজৰ ভাষাত লিখা।

(গ) সত্যনাথ বৰাই 'জীৱনৰ অমিয়া' শীৰ্ষক প্ৰবন্ধত সংসাৰত কেইটা শ্ৰেণীৰ মানুহ থকা বুলি উল্লেখ কৰিছে? প্ৰতিটো শ্ৰেণীৰ মানুহৰ লক্ষণ সম্পৰ্কে পাঠৰ আধাৰত আলোচনা কৰা।

(ঘ) 'মিৰি-জীয়ৰী' উপন্যাসৰ 'জংকি' আৰু 'পানেই' চৰিত্ৰ *দুটা* বিশ্লেষণ কৰা।

(ঙ) 'ইংলণ্ডৰ বিৱৰণ' শীৰ্ষক পাঠৰ আধাৰত অসমৰ দুৰৱস্থাৰ কাৰণসমূহ বহলাই আলোচনা কৰা।

---